# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ০৯ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু আভাস**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগৰে পৰাই চলি আহি আছে; আজিও তেখেত (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হ'ব। হজৰত উমৰ (ৰাঃ)য়ে আইন প্ৰণালীৰ মাজেৰে বিচাৰ কাৰ্য্যৰ এটা বিভাগও শুভাৰম্ভ কৰিছিল। সকলো জিলাতেই আদালত স্থাপন কৰি বিচাৰপতি (কাজি) নিয়োগ কৰিছিল। এই বিচাৰপতি  সকলক নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত ফিকা সম্পৰ্কে পাণ্ডিত্য থকা লোকসকলক নিৰ্বাচিত কৰিছিল,আৰু তেওঁলোকৰ পৰীক্ষা লোৱা হৈছিল। উক্ত বিচাৰপতি সকলৰ বাবে বেতন ধাৰ্য কৰি নিয়োগ কৰা হৈছিল। চহকী আৰু মৰ্যাদা সম্পন্ন ব্যক্তি সকলক বিচাৰপতি হিচাপে নিযুক্ত কৰিছিল,যাতে তেওঁলোকে কোনো গোচৰ নিষ্পত্তিৰ ক্ষেত্ৰত কাৰো ভয়ত প্ৰভাৱিত নহয়। হজৰত উমৰ (ৰাঃ)য়ে ন্যায় আৰু সমতাৰ ফালে চোকা দৃষ্টি ৰাখিছিল। এবাৰ হজৰত উবি বিন কাআব (ৰাঃ)ৰ সৈতে এখেত (ৰাঃ)ৰ এটা মামলা হজৰত জায়েদ বিন ছাবিত (ৰাঃ)ৰ আদালতত দাখিল কৰা হৈছিল। হজৰত জায়েদ (ৰাঃ)য়ে দুয়ো পক্ষক সমন জাৰি কৰিছিল কিন্তু তাত হজৰত উমৰ (ৰাঃ)ক বৰ সন্মান পূৰ্বক ভাৱে আহ্বান জনাইছিল। সেয়া দেখি হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে এয়া হ'ল তোমাৰ প্ৰথম অবিচাৰ,এই বুলি তেখেত (ৰাঃ)য়ে গৈ হজৰত উবি (ৰাঃ)ৰ সৈতে বহিছিল।

হজৰত উমৰ (ৰাঃ)য়ে চৰিয়তৰ বিধান অৱগত থাকিবলৈ ফতোৱাৰ মহকুমা জাৰি কৰিছিল আৰু হজৰত আলি (ৰাঃ)য়ে,হজৰত উচমান (ৰাঃ),হজৰত মুৱাজ বিন জবল (ৰাঃ),হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ),হজৰত উবি বিন কাআব (ৰাঃ), হজৰত জায়েদ বিন ছাবিত (ৰাঃ),হজৰত আবু হুৰাইৰা (ৰাঃ) আৰু হজৰত আবু দৰদা (ৰাঃ)ক তাত নিযুক্ত কৰি কৈছিল যে এওঁলোকৰ বাহিৰে আন কাৰো পৰা ফতোৱা লোৱা নহ'ব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত এজন উচ্চ মৰ্যাদা সম্পন্ন চাহাবী সম্ভৱত হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে লোকক কোনোবা এটা বিষয়ে ফতোৱা দিছিল। যেতিয়া সেই খবৰটো হজৰত উমৰ (ৰাঃ)ৰ কাণ পাইছিলগৈ তেতিয়া তেখেত (ৰাঃ)য়ে হজৰত আব্দুল্লাহ (ৰাঃ)ক প্ৰশ্ন কৰিছিল

যে কিয় ! তুমি আমিৰ হয়নে ? নাইবা তোমাক আমিৰে এই বিভাগত নিযুক্তি দিছেনে যে তুমি ফতোৱা দি থাকা ? আচলতে যদি প্ৰত্যেকেই ফতোৱা দিয়াৰ অধিকাৰ পায় তেন্তে বহুতো সমস্যাৰ সৃষ্টি হ'ব আৰু ইয়াৰে বহু ফতোৱা জনসাধাৰণৰ কাৰণে বিপদৰ কাৰণ হৈ উঠিব পাৰে।

হজৰত উমৰ (ৰাঃ)য়ে দেশত শান্তি নিৰাপত্তা আৰু বজাৰ পৰিচালনাৰ্থে পুলিচ বিভাগ প্ৰতিষ্ঠা কৰিছিল আৰু কাৰাগাৰ নিৰ্মাণ কৰিছিল। হিজৰি ১৫ চনত বেহৰাইনৰ পৰা পাঁচ লাখ টকা আমদানী হোৱাত চাহাবা সকলৰ পৰামৰ্শ মতে মদিনাত বায়তুল মালৰ প্ৰতিষ্ঠা কাৰ্যকৰী কৰা হৈছিল। হজৰত আব্দুল্লাহ বিন আৰকম (ৰাঃ)খাজানা অৰ্থাৎ ধন ভঁৰালী হিচাপে নিযুক্ত হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে ঘৰ-দুৱাৰ নিৰ্মাণ কাৰ্যত সদায় বৰ কম খৰচত কাম সম্পন্ন কৰিছিল কিন্তু বায়তুল মালৰ বাবে মজবুত আৰু বৰ ধুনীয়া ঘৰ বনোৱাইছিল আৰু তাত পহৰাদাৰৰ ব্যৱস্থা কৰিছিল।

এবাৰ অত্যন্ত গৰম বতৰত হজৰত উচমান (ৰাঃ)নিজৰ মুক্তি দিয়া গোলামৰ সৈতে নজদৰ ফালে থকা **আলিয়া** নামক অঞ্চলত আছিল, তাতে এজন লোকক দুটা সবল উট খেদি লৈ আনি থকা দেখিবলৈ পাইছিল। সেয়া দেখি হজৰত উচমান (ৰাঃ)য়ে কৈছিল সেই মানুজনৰ কি হৈছে যদি তেওঁ মদিনাত থাকিলেহেঁতেন আৰু বতৰ ঠাণ্ডা পৰাৰ পিছত ওলাল হয় তেন্তে তাৰ বাবে ভাল হ'লহেঁতেন। যেতিয়া সেই লোকজন হজৰত উচমান (ৰাঃ)ৰ ওচৰ চাপি আহে তেতিয়া গম পাইছিল যে সেইজন লোক আমিৰুল মোমিনিন হজৰত উমৰ বিন খাত্তাব (ৰাঃ) হয়। তেখেত (ৰাঃ)য়ে কৈছিল ছদকাৰ উটৰ মাজৰ পৰা এই দুটা উট পিছে ৰৈ গৈছিল মোৰ ভয় লাগিল কিজানিবা এই দুটা উট হেৰাই যাব পাৰে আৰু আল্লাহ তা'লা মোক এইবিলাকৰ বিষয়ে প্ৰশ্ন কৰিব।

হজৰত উচমান (ৰাঃ)য়ে কৈছে যিয়ে বিচাৰে যে **আল কাবিউল আমিন** অৰ্থাৎ কাবি আৰু আমানতদাৰক দেখিব, তেওঁ এখেত (ৰাঃ)ক চাওঁক। আন এটা ৰিৱায়তত উল্লেখ আছে যে উমৰ বিন নাফাআ আবু বক্কৰ ঈছাৰ পৰা লৈ বৰ্ণনা কৰিছে যে তেওঁ কৈছে মই হজৰত উমৰ বিন খাত্তাব (ৰাঃ),হজৰত উচমান বিন আফফান (ৰাঃ),আৰু হজৰত আলি বিন আবি তালিব (ৰাঃ)ৰ সৈতে ছদকাৰ সময়ত আহিছিলো। হজৰত উচমান (ৰাঃ)য়ে ছাঁৰ তলত বহি লৈছিল আৰু হজৰত আলি বিন তালিব (ৰাঃ)য়ে এখেত (ৰাঃ)ৰ ওচৰত থিয় হৈ হজৰত উমৰ (ৰাঃ)য়ে কোৱা কথাবোৰ দোহাৰি গৈছিল আৰু হজৰত উমৰ (ৰাঃ)য়ে গৰমৰ দিনত প্ৰখৰ ৰ'দৰ মাজত থিয় আছিল আৰু তেখেত (ৰাঃ)ৰ ওচৰত দুখন ক'লা চাদৰ আছিল। তাৰে এখন চাদৰ লুঙিৰ দৰে বান্ধি লৈছিল আৰু এখন মূৰৰ ওপৰত পাৰিলৈ ছদকাৰ উট বিলাক পৰিদৰ্শন কৰি সেইবিলাকৰ ৰং আৰু বয়স লিখি গৈছিল। হজৰত আলি (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ক কৈছিল যে কিতাবুল্লাহত তুমি হজৰত শ্বোয়েব (আঃ)ৰ জীয়েকৰ এই কথাখিনি শুনিছানে ? **ইন্না খায়ৰা মানিছতাজাৰতাল কাবিউল আমিন** নিশ্চয় যিসকলক তুমি চাকৰ হিচাপে ৰাখিবা,তেওঁলোকৰ মাজত উত্তম হ'ল সেইজন ব্যক্তি,যিজন মজবুত আৰু আমানতদাৰ হ'ব। ইয়াৰ পিছত হজৰত আলি (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ ফালে ইঙ্গিত দি কৈছিল সেয়া **কাবিউল আমিন** হয়।

এবাৰ হজৰত উমৰ (ৰাঃ)য়ে বায়তুল মালৰ পৰা কিছু বিতৰণ কৰি আছিল, এনেতে তেখেত (ৰাঃ)ৰ জীয়েক আহি এক দেৰহাম মুখত ভৰাই লৈছিল। হজৰত উমৰ (ৰাঃ)য়ে জীয়েকৰ মুখৰ পৰা দেৰহামটো আঙুলি সোমাই উলিয়াই আনি কৈছিল হে লোক সকল ! উমৰ আৰু তাৰ বংশধৰ সকলৰ বাবে সিমান খিনিয়ে অধিকাৰ আছে যিমান খিনি সাধাৰণ মুছলমান সকলৰ আছে। এনেদৰে এবাৰ হজৰত আবু মুছা (ৰাঃ)য়ে বায়তুল মালৰ ঘৰত বাঢ়নীৰে চাফ-চিকুণ কৰি থাকোতে এটা দেৰহাম পাইছিল। এনেতে সেই ফালেদি হজৰত উমৰ (ৰাঃ)ৰ সৰু

ল’ৰাজন গৈ আছিল। হজৰত আবু মুছা (ৰাঃ)য়ে সেই দেৰহামটো ল’ৰাজনক দি দিছিল। হজৰত উমৰ (ৰাঃ)য়ে ল’ৰাজনৰ হাতত দেৰহামটো পাই সোধ-পোছ কৰি লৈ আবু মুছা (ৰাঃ)ক কৈছিল- হে আবু মুছা ! কিয় মদিনাৰ বাসিন্দা সকলৰ মাজত উমৰৰ পৰিয়ালতকৈ দৰিদ্ৰ তোমাৰ ওচৰত আৰু কোনো পৰিয়াল নাইনে ? তুমি ভাৰিছা যে উম্মতে মহম্মদীয়া (ছাঃ)ৰ মাজত কোনেও যেন বাকী নাথাকে যে তেওঁ তোমাক এই অন্যায়ৰ বাবে প্ৰশ্ন কৰে।

হজৰত উমৰ (ৰাঃ)য়ে জনসাধাৰণৰ কল্যাণমূলক কাম-কাজৰ মাজত পানী যোগানৰ নিমিত্তে খাল খন্দোৱাই দিছিল। চন ১৮ হিজৰিত বতৰ খৰাং হৈ যোৱাত হজৰত উমৰ (ৰাঃ)ৰ নিৰ্দেশত হজৰত উমৰু বিন আচ (ৰাঃ)য়ে ফিস্তাতলৈ কলজম সাগৰৰ পৰা খাল খান্দি পানী যোগানৰ ব্যৱস্থা কৰোৱাইছিল। সেই খালেৰে সামুদ্ৰিক জাহাজবোৰ মদিনাৰ জিদ্দা নামক বন্দৰত আহি উপস্থিত হ’ব পাৰিছিল। এনেদৰে হজৰত উমৰ (ৰাঃ)য়ে জনসাধাৰণৰ সুবিধাৰ্থে মছজিদ,আদালত,সেনাৰ ছাউনি,বেৰেকচ,বাট পথ,দলং অতিথিশালা,পহৰচকী আদি নিৰ্মাণ কৰোৱাইছিল।লগতে বিভিন্ন নতুন চহৰ যেনে ফিস্তাত,বচৰা,কোফা আদি নগৰীৰ উন্নয়নমূলক কাম কৰিছিল। তেখেত (ৰাঃ)য়ে সৈন্য বলৰ শ্ৰেণী বিভাগ কৰি গ্ৰুপ বনাই দিছিল। তেনেকৈ ভাগে ভাগে সৈন্য সকলৰ দৰমাহও নিৰ্ধাৰণ কৰি দিছিল। তেখেত (ৰাঃ)য়ে সৈন্য সকলৰ শিক্ষা-দীক্ষাৰ ফালে বৰ মনোযোগ দিছিল সেয়ে তেখেত (ৰাঃ)য়ে কঠোৰ নিৰ্দেশ জাৰি কৰিছিল যে জয় কৰা দেশসমূহত কোনো ব্যক্তিয়েই খেতি-বাতি অথবা ব্যৱসায় কৰিব নোৱাৰে। বৰ্তমান মুছলমান দেশবোৰত সৈন্য সামন্ত সকলে ব্যৱসায় বানিজ্যত লিপ্ত হৈ পৰিছে বৰং এখন দেশ সম্পৰ্কে ক’ব পৰা যায় যে  তেওঁলোকে কমিশন লওঁতেই অফিচাৰি দেখুৱায় যে ক’ত ফ্লাট বনাব পৰা যায়। এনেদৰে তেওঁলোকৰ সৈন্যবল কমি গৈ আছে। হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত শীত আৰু গৰম দেশবোৰৰ ওপৰত আক্ৰমণ চলোৱাৰ সময়ত সেই ঠাইৰ বতৰলৈ লক্ষ্য ৰখা হৈছিল। সৈন্য সামন্তক পৰিশ্ৰম আৰু যুদ্ধাস্ত্ৰ বহন কম কৰি দিয়া হৈছিল।

ইছলামী শাসনৰ অধীনত অমুছলিম সম্প্ৰদায়ৰ লোকেও ডাঙৰ ডাঙৰ পদবীত নিযুক্তি পাইছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে যুদ্ধ বিভাগক যি শক্তিশালী কৰিছিল সেই ফালেদি কোনো সম্প্ৰদায়ে  অথবা কোনো দেশেই নিৰাপদ নাছিল। ভলিণ্টিয়েৰ সৈন্যত হাজাৰ হাজাৰ মজুছি চামিল আছিল। ইতিহাসৰ পৰা প্ৰমাণিত হয় যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত অমুছলিম সম্প্ৰদায়ৰ লোক সকলকও যুদ্ধৰ অফিচাৰ হিচাপে নিযুক্ত কৰা হৈছিল।  হজৰত উমৰ (ৰাঃ)য়ে বস্তু বাহানীৰ দাম অন্যায় ভাৱে কমাই দিয়াটো কঠোৰ ভাৱে নিষিদ্ধ কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ইছলামে বজাৰ দৰ বঢ়াই দিয়া আৰু এনেদৰে বেলেগৰ ক্ষতি কৰিবলৈ দৰ কমোৱাটো নিষেধ কৰিছে।

হজৰত উমৰ (ৰাঃ)য়ে শিক্ষা বিভাগৰ উন্নয়ন কৰিছিল। সকলো দেশতেই মাদ্ৰাছা প্ৰতিষ্ঠা কৰিছিল। যিবোৰত কোৰ-আন মজিদ, হাদীছ ফিকা আদিৰ শিক্ষা দিয়া হৈছিল। কুবাৰ বিদ্যান চাহাবা সকলে শিক্ষা-দীক্ষা প্ৰদান কৰিবলৈ নিযুক্ত হৈছিল আৰু এই শিক্ষক সকলৰ বাবে দৰমহাৰ ব্যৱস্থা কৰা হৈছিল। হিজৰি কেলেণ্ডাৰৰ প্ৰৱৰ্ত্তন কৰা হৈছিল আৰু এই কেলেণ্ডাৰ হজৰত ৰছুলুল্লাহ (ছাঃ)ৰ মদিনা হিজৰতৰ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছিল। এই কেলেণ্ডাৰ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই সম্পৰ্কে বিভিন্ন মতামত আছে। কোনো কোনো জনৰ মতে এই কেলেণ্ডাৰ চন ১৬ হিজৰিত আৰম্ভ হৈছিল আকৌ কোনো কোনোবাৰ মতে ১৭ অথবা ১৮ হিজৰিত অথবা ২১ হিজৰিত আৰম্ভ কৰা হৈছিল।

ইছলামী মুদ্ৰা সম্পৰ্কে সাধাৰণ ইতিহাসবিদ সকলৰ ধাৰণা এয়া যে সৰ্বপ্ৰথম আব্দুল মালিক বিন মৰোৱানে

মুদ্ৰাৰ প্ৰচলন কৰিছিল। কিন্তু মদিনাৰ কিছুমান ইতিহাসবিদে কয় যে ইছলামী মুদ্ৰা হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত প্ৰচলন কৰা হৈছিল। সেই মুদ্ৰাবোৰৰ ওপৰত **আলহামদুলিল্লাহ** আৰু কিছুমানৰ ওপৰত **মহম্মাদুৰ ৰাছুলুল্লাহ** আৰু কিছুমানৰ ওপৰত **লা ইলাহা ইল্লাল্লাহু ওৱাহাদাহু** শব্দবোৰ খোদিত কৰা আছিল। আন এটা অনুসন্ধান অনুযায়ী সৰ্বপ্ৰথম ইছলামী মুদ্ৰা দামাস্কত ১৭ হিজৰিত জাৰি কৰা হৈছিল।

হজৰত উমৰ (ৰাঃ)য়ে নিজৰ খিলাফৎ কালত যিবিলাক নতুন বিষয় আৱিষ্কাৰ কৰিছিল সেয়া ইতিহাসবিদ সকলে আউৱালিয়াত বুলি কৈছে। আল্লামা শ্বোবলি নুমানিয়ে নিজৰ এখন কিতাপ **আলফাৰুকত** প্ৰায় ৪৪ টা আউৱালিয়া সম্পৰ্কে উল্লেখ কৰি লিখিছে যে ইয়াৰ ওপৰিও আৰু উমৰ (ৰাঃ)ৰ আউৱালিয়াত আছে, যিবিলাক মই বৰ্ণনা দীঘলীয়া হোৱাৰ ভয়ত বৰ্ণনা কৰা নাই।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা ইনশা আল্লাহ আগলৈ আৰু চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে ছয় জন মৰহুমিনৰ বিষয়ে চমু বৰ্ণনা আৰু নমাজে জানাজা গায়েব পঢ়োৱাৰ বিষয়ে ঘোষণা কৰে। ইয়াৰে প্ৰথমজন মৰহুমৰ নাম হ'ল মকৰম ছুৰিপ্তু হাদি ছিছিৰিউ (ইণ্ডোনেচীয়া) মকৰম চৌধুৰী বশিৰ আহমদ ভট্টি চাহাব ইবনে আল্লাদাদ চাহাব ভুড়ো জিলা ননকানা, মকৰম হামিদুল্লাহ খাদেম মিলহি চাহাব ইবনে চৌধুৰী আল্লৰাখা মিলহি চাহাব (দাৰুণ নছৰ গুৰবি ৰাৱোৱা) মকৰম মহম্মদ আলি খান চাহাব (পেশাৱৰ) মকৰম চাহাবজাদা মেহেদি লতিফ চাহাব (মেৰিল্যাণ্ড আমেৰিকা) এখেত মৰহুম হজৰত চাহাবজাদা আব্দুল লতিফ চাহাব শ্বহীদৰ পৌত্ৰ আছিল। ইয়াৰ পিছৰ জন মৰহুমৰ নাম হ'ল আজিজম ফয়জান আহমদ, ছমিৰ শ্বেহেজাদ আকবৰ চাহাব (কাৰকুন দফতৰ প্ৰাইভেট ছেক্ৰেটাৰী ৰাৱোৱা)। হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো মৰহুমিনৰ বাবে মাগফিৰাত কামনা কৰি উন্নীত মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**